# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2024
**Time :** 1840 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শাৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাইলৈ সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে আলোচনা প্ৰক্ৰিয়া আৰম্ভ।

২। গুৱাহাটী মহানগৰীৰ নৰ্দমাসমূহৰ উন্নয়নৰ পৰিকল্পনা আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদনৰ বাবে নেডাৰলেণ্ডছৰ এটা প্ৰতিষ্ঠানক দায়িত্ব অৰ্পণ কৰা বুলি অসম চৰকাৰৰ প্ৰকাশ।

৩। তামুলপুৰ জিলাত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ত বৈঠক।

৪। স্বচ্ছতাই সেৱা শীৰ্ষক দেশজোৰা অভিযানৰ অংশ হিচাপে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ কামৰূপ জিলাৰ গৰৈমাৰীত জনসম্পৰ্ক ৰক্ষা কাৰ্যসূচী। **আৰু**

৫। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ২৬ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন বজাৰৰ প্ৰস্তুতি।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শাৱলী সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলক কাইলৈ সাক্ষাৎ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে, এই বিষয়ত সংগঠনটো নেতৃবৃন্দৰ সৈতে হ'বলগীয়া আলোচনালানি কাইলৈ আৰম্ভ হ'ব। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত সংগঠনটোৰ পৰামৰ্শসমূহ গ্ৰহণ কৰাৰ পাছত অন্য সংগঠনৰ সৈতেও আলোচনা কৰিব। উল্লেখযোগ্য যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বাধীন সমিতিয়ে ১৯৭১ চনৰ পাছত অসমলৈ অহা বুলি চিনাক্ত হোৱা অনুপ্ৰৱেশকাৰী সকলক বহিস্কাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ৰাজ্যৰ বাহিৰৰ কোনো স্থানত সংস্থাপন কৰাৰ পৰামৰ্শ দিছে। তদুপৰি সমিতিয়ে অসমীয়াৰ সংজ্ঞাও নিৰ্ধাৰণ কৰিছে। সমিতিৰ পৰামৰ্শসমূহ সম্পূৰ্ণৰূপে ৰূপায়ণৰ বাবে কোনো কোনো ক্ষেত্ৰত সাংবিধানিক আৰু সংসদীয় ক্ষেত্ৰত সংস্কাৰ সাধনৰ প্ৰয়োজন হ'ব। পৰামৰ্শৱলী লগতে সংবিধানৰ ৩৭১খ অনুচ্ছেদ সালসলনিৰ প্ৰয়োজনীয়তা সম্পৰ্কেও উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত গঠিত এই সমিতিৰ পৰামৰ্শসমূহ ৰূপায়ণক লৈ মন্তব্য কৰি বৰাক উপত্যকাৰ জিলাকেইখন আৰু স্বায়ত্বশাসিত জিলাকেইখনৰ বাহিৰে অন্য জিলা বিশেষ নামনি অসমত এই পৰামৰ্শৱলী ৰূপায়ণত কোনো সমস্যা নহ'ব বুলি মত প্ৰকাশ কৰিছিল। অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰা হ'ব বুলি তেওঁ উল্লেখ কৰিছিল। উল্লেখযোগ্য যে অসম চুক্তিৰ ৬ নম্বৰ দফাত অসমৰ খিলঞ্জীয়া লোকৰ সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনীয় অধিকাৰ ৰক্ষাৰ লগতে সামাজিক, সাংস্কৃতিক আৰু আংশিক অধিকাৰৰ সুৰক্ষাৰ প্ৰসংগ উল্লেখ কৰা হৈছিল। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে দিয়া ৬৭টা পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে।

আনহাতে বাকীকেইটা পৰামৰ্শ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছিল।

০০০০০

তামুলপুৰ জিলাত সমাগত চতুৰ্থ ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলনৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলাৰ অতিৰিক্ত আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থকা এই বৈঠকত বিভাগসমূহৰ অধীনত চলি থকা কাম-কাজৰ প্ৰত্যাহ্বান আৰু তাৰ সমাধান সম্পৰ্কে অতিৰিক্ত আয়ুক্তই সংশ্লিষ্ট বিষয়াসকলৰ পৰা মতামত বিচাৰে। উল্লেখযোগ্য যে এইবাৰ হ'বলগীয়া চতুৰ্থ ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলনৰ মূল বিষয় হৈছে- **উদ্যমশীলতা, নিযুক্তি আৰু দক্ষতা বৃদ্ধি, জনগাঁথনিগত লভ্যাংশৰ উত্তৰণ**। আজি বৈঠকত অতিৰিক্ত আয়ুক্তই বিভিন জনকল্যাণমূলক বিষয় আৰু বিশেষ স্ব-নিয়োজনৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলক সহায় কৰিব পৰাকৈ সংশ্লিষ্ট সকলৰ পৰা পৰামৰ্শ বিচাৰে।

০০০০০

গুৱাহাটী মহানগৰীৰ ভৌগোলিক তথ্য ব্যৱস্থা আধাৰিত নৰ্দমাসমূহৰ উন্নয়নৰ বাবে পৰিকল্পনা আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন যুগুত কৰাৰ বাবে নেডাৰলেণ্ডছৰ এটা প্ৰতিষ্ঠানক গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে দায়িত্ব অৰ্পণ কৰিছে। মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যাক লৈ দাখিল হোৱা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি অসম চৰকাৰে এই তথ্য প্ৰকাশ কৰে। শুনানিকালত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিত শইকীয়াই আদালতত কয় যে, পৰিকল্পনা আৰু প্ৰকল্প প্ৰতিবেদন যুগুত কৰাৰ বাবে নেডাৰলেণ্ডছৰ এই প্ৰতিষ্ঠানক দায়িত্ব দিয়া হৈছে আৰু দায়িত্ব লাভ কৰাৰ ৯ মাহৰ ভিতৰত যাৱতীয় কাম-কাজ সম্পূৰ্ণ কৰিব লাগিব। আনহাতে ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনৰ শুনানিকালত ভাৰতীয় বন সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া আকাশদ্বীপ বৰুৱাই মহানগৰীৰ বানৰ কাৰণ আৰু সমাধান সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। অহা ২৯ অক্টোবৰ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০

ৰাজ্যত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত এতিয়ালৈকে এহেজাৰ ১০০ টা ঘৰৰ চাঁদত সৌৰ বিদ্যুৎ উৎপাদনৰ প্ৰণালী স্থাপন কৰা হৈছে আৰু ইয়াৰ জৰিয়তে ৩ হাজাৰ ৭২৩ কিলোৱাট উৎপাদন ক্ষমতাৰ সংযোজন ঘটিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু এই আঁচনিৰ ৰূপায়ণ প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে এই সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ধুবুৰী জিলাত জিলাখনৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত কাম-কাজৰ পৰ্যালোচনা কৰে। জিলাখনৰ অভিভাৱক মন্ত্ৰী শ্ৰী দাসে খাদ্য, অসামৰিক যোগান, লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, কৃষিকে ধৰি ৩৩টা বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনিৰ কাম-কাজ পৰ্যালোচনা কৰাৰ লগতে অগ্ৰগতিৰ খতিয়ান লয়। মন্ত্ৰীগৰাকীয়ে জিলাখনত ৫৮ খন চৰণীয়া পথাৰ থকাৰ কথা উল্লেখ কৰি এই সংৰক্ষিত অঞ্চলসমূহক গ্ৰাম্য অৰণ্য হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰা হ'ব বুলি উল্লেখ কৰে। জিলাখনত বাদাম খেতিৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি পৰৱৰ্তী সময়ত এই খেতিৰ বাবে কৃষকসকলক আকৃষ্ট কৰিবলৈ পদক্ষেপ গ্ৰহণৰ বাবে কৃষি বিভাগক নিৰ্দেশ দিয়ে।

০০০০০

অসম গণ পৰিষদৰ দলৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৪ অক্টোবৰত ডিব্ৰুগড় জিলাৰ জেৰাইত কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হ'ব। ইয়াৰ লগতে প্ৰতিটো বিধানসভা সমষ্টিতেই এই দিৱস উদযাপন কৰা হ'ব।

এই দিৱসৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি গুৱাহাটীৰ আমবাৰীত দলৰ মুখ্য কাৰ্যালয়ত অসম গণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত অংশ লৈ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই প্ৰতিষ্ঠা দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ সম্পৰ্কে আলোচনা কৰে। তদুপৰি দলে আয়োজন কৰিবলগীয়া বিধানসভা সমষ্টিভিত্তিক কৰ্মশালা, সদস্যভৰ্তি অভিযান, অসম বিধানসভাৰ উপ-নিৰ্বাচন, স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচন আৰু সাংগঠনিক দিশৰ সন্দৰ্ভতো আলোচনা কৰা হয়। এই বৈঠকত দলৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত, লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী, ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ লগতে দলৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।

ooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ লক্ষ্য লৈছে। ইয়াৰ অধীনত মহিলাৰ দ্বাৰা ক্ৰয় কৰা সম্পত্তিৰ বাবে ষ্টাম্প শুল্ক হ্ৰাস কৰিবলৈ ৰাজ্যসমূহক উৎসাহিত কৰা হৈছে। তদুপৰি হোষ্টেল আৰু মহিলা নিৰ্ধাৰিত দক্ষতা কাৰ্যসূচীৰ জৰিয়তে মহিলাৰ কৰ্মশক্তিৰ অংশগ্ৰহণত উদগণি যোগোৱা হৈছে। পৰ্যটন খণ্ডত মহিলাসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ পৰ্যটন দিদি আৰু পৰ্যটন মিত্ৰ আঁচনি লোৱা হৈছে। তদুপৰি গ্ৰাম্য জীৱিকাৰ সুবিধা বৃদ্ধি কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা মিছনৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটত ১০ কোটি মহিলাক সংগঠিত কৰা হৈছে। একেদৰে নাৰী শক্তিক উপকৃত কৰা আঁচনিৰ বাবে এই বছৰৰ  বাজেটত ৩ লাখ কোটি টকা আৱণ্টন দিয়া হৈছে। এতিয়ালৈকে ১১ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা প্ৰমাণপত্ৰ লাভ কৰিছে।  আনহাতে, ২ লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্যাক সহায় কৰিবলৈ ৫ হাজাৰ কোটি টকা মূল্যৰ ব ংকৰ ঋণ মুকলি কৰা হৈছে। মহিলা উদ্যোগীৰ সৱলীকৰণৰ বাবে মুদ্ৰা ঋণৰ সীমা ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।  একেদৰে মহিলাৰ বাবে গৃহৰ মালিকীস্বত্ত আৰু মৰ্যদা নিশ্চিত কৰিবলৈ ৩ কোটি অতিৰিক্ত ঘৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত পৰিকল্পনা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি কয় যে, শিক্ষা, উদ্যমিতা, কৃষি প্ৰযুক্তি আৰু অন্য পদক্ষেপৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ মহিলাসকলৰ সৱলীকৰণৰ বাবে দায়বদ্ধ।

আকাশবাণী দৃষ্টিপাত অনুষ্ঠানত আজি **মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত অংশ লৈ অসম বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আৰু সাংবাদিক সঞ্জীৱ কলিতাই কয় যে, বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ এশটা দিনত দেশৰ পথ, পৰিবহন, কৃষক ৰাইজৰ উন্নয়ন, যুৱ প্ৰজন্ম, মহিলা, অনুসূচীত জাতি-জনজাতিৰ উন্নয়নৰ উপৰি ৩ খন নতুন ফৌজদাৰী আইন কাৰ্যকৰীকৰণৰ দ্বাৰা যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হৈছে। তদুপৰি অসমৰ জাগীৰোডত ছেমিকনডাক্টৰ প্ৰকল্পৰ দ্বাৰা ৰাজ্যখনৰ লগতে উত্তৰ পূৰ্বাঞ্চলে অহা ১০ বছৰত উদ্যোগিক ক্ষেত্ৰত অভূতপূৰ্ব ৰূপান্তৰ প্ৰত্যক্ষ কৰিব বুলি উল্লেখ কৰে।

ooooo

পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ মইনাগুৰি ৰে'ল ষ্টেচনৰ সমীপত আজি পুৱা এখন মালবাহী ৰে'লগাড়ীৰ কেইবাটাও দবা লাইনৰ পৰা বাগৰি পৰে। ৰে'লগাড়ীখনৰ একাংশ দবা ইঞ্জিনৰ পৰা বিচ্ছিন্ন হোৱাৰ বাবেই এই অঘটন ঘটে। দুৰ্ঘটনাত পতিত ৰে'লগাড়ীখন অসমৰ পৰা নিউ জলপাইগুৰি ষ্টেচন অভিমুখে গৈ আছিল বুলি জানিব পৰা গৈছে। আলিপুৰ দুৱাৰৰ মাণ্ডলিক ৰে'ল প্ৰৱন্ধক অমৰজিৎ গৌতমে কৈছে যে এই দুৰ্ঘটনাৰ তদন্ত কৰা হ'ব। দুৰ্ঘটনাৰ বাবে কেইখনমান ৰে'লগাড়ীৰ যাত্ৰাপথ সলনি কৰা হৈছে আৰু এখন ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰা হৈছে। একেদৰে এখন ৰে'লগাড়ীৰ যাত্ৰাপথ চমু কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি কামৰূপ জিলাৰ গৰৈমাৰীৰ এফ এ আহমেদ মহাবিদ্যালয়ত স্বচ্ছতাই সেৱা শীৰ্ষক দেশজোৰা অভিযানৰ অংশ হিচাপে এটা জনসম্পৰ্কৰক্ষা কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখযোগ্য যে, **স্বভাৱ স্বচ্ছতা, সংস্কাৰ স্বচ্ছতা** শীৰ্ষক স্বচ্ছতা আৰু অনাময় কাৰ্যসূচীৰ দ্বাৰা স্বচ্ছতাই সেৱা নামৰ অভিযান ৰূপায়ণ কৰা হৈছে। আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে এই কাৰ্যসূচীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনত স্বচ্ছতা আৰু অনাময়ৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ প্ৰয়াস কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই উপলক্ষে অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত মহাবিদ্যালয়খনৰ ১৮টা দলে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত ছৰীফুল ইছলাম আৰু ছাদিকুল ইছলামে প্ৰথম, ছাহানুৰ আলম আৰু গায়ত্ৰী কলিতাই দ্বিতীয় স্থান লাভ কৰে। আনহাতে ছাহানুৰ আল-অমন আৰু মোছলেম আলীয়ে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখন পৰিচালনা কৰে নৰকান্ত বৈশ্যই। প্ৰতিযোগিসকলক একোটাকৈ ৰেডিঅ' ছেট, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ আব্দুল আৱালে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ২৬ নৱেম্বৰৰ পৰা তিনি দিনীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন বজাৰ অনুষ্ঠিত হ'ব। পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাজিৰঙাত আজি এই কথা প্ৰকাশ কৰি কয় যে, কাজিৰঙা পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আয়োজন কৰা এই পৰ্যটন বজাৰত বিশ্বৰ বিভিন্ন দেশৰ পৰ্যটনৰ লগত জড়িত অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব। ২৮ নৱেম্বৰলৈ চলিবলগীয়া এই কাৰ্যসূচীত দেশ-বিদেশৰ প্ৰায় ৩০০ গৰাকী প্ৰতিনিধিক কাজিৰঙাৰ পৰ্যটন ক্ষেত্ৰৰ লগত পৰিচয় কৰায় দিবলৈ সকলো সুবিধা প্ৰদান কৰা হ'ব। কাজিৰঙাত চলি থকা টুৰিষ্ট গাইড প্ৰশিক্ষণ কাৰ্যসূচীত আজি অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী বৰুৱাই এই মন্তব্য কৰে। অহা এক অক্টোবৰৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ব আৰু ইয়াৰ আটাইবোৰ পৰ্যটন নিবাসত ইতিমধ্যে আগতীয়া বুকিং সম্পন্ন হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইফালে, মন্ত্ৰী শ্ৰী বৰুৱাই আজি ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ অধীনত কাজিৰঙাত থকা **বনানি, বনশ্ৰী আৰু কুঞ্জবন** নামৰ তিনিটাকৈ অতিথিশালাৰ নৱীকৰণ আৰু উন্নয়নৰ পৰ্যবেক্ষণ কৰে। ৰাজ্যখনৰ পৰ্যটন আন্তঃগাঁথনি বিকাশৰ বাবে নিৰন্তৰ প্ৰচেষ্টাৰ অংশস্বৰূপে পৰ্যটন ক্ষেত্ৰৰ অতিথিশালাসমূহ ন-ৰূপত সজাই তোলা বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

চৰাইদেউ জিলাৰ চাহ বাগিচাসমূহৰ শ্ৰমিকসকলক সমাগত দুৰ্গা পূজাৰ বোনাচ সুচাৰুৰূপে প্ৰদান কৰা সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত উপস্থিত থকা জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে বোনাচ প্ৰদান প্ৰক্ৰিয়া চলিত মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে বোনাচ প্ৰদান কৰাৰ পূৰ্বে আগতীয়াকৈ আৰক্ষী বিভাগৰ সৈতে যোগাযোগ কৰি নিৰাপত্তাৰ সুবিধা গ্ৰহণ কৰিবলৈ কয়। উল্লেখযোগ্য যে, জিলাখনৰ মুঠ ৬১ খন চাহ বাগিচাৰ ভিতৰত ৩৪ খনে বোনাচ প্ৰদান সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিছে। আজিৰ বৈঠকত জিলা আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি শ্ৰম বিভাগ আৰু চাহ বাগিচা সংগঠন তথা সংস্থাসমূহৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০০

কৰিমগঞ্জ জিলাৰ নৱনিযুক্ত আয়ুক্তই আজি জিলাখনৰ সকলো সংবাদকৰ্মীৰ সৈতে সৌজন্যমূলক সভা অনুষ্ঠিত কৰে। সভাত ভাষণ দি আয়ুক্তগৰাকীয়ে শান্তি শৃংখলাৰ দিশত জিলাখনত সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি কোৱাৰ লগতে চৰকাৰী সকলো কামকাজ নিৰ্দিষ্ট গতিৰে চলিব বুলিও তেওঁ জানিবলৈ দিয়ে। ইয়াৰ উপৰি ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহ প্ৰকৃত হিতাধিকাৰীক গতাই দিয়া হ'ব বুলি উল্লেখ কৰি তেওঁ আগন্তুক দুৰ্গা পূজাৰ সময়ছোৱাত শান্তি-শৃংখলা বজাই ৰাখিবলৈ জিলাবাসীক আহ্বান জনায়।

০০০০০

মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ ৫ গৰাকী শিক্ষাৰ্থীয়ে কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ যাত্ৰা কৰিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ অধীনত এইবাৰ ৫ গৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে- দৰঙৰ জাহ্নৱী প্ৰিয়া নাথ, ডিব্ৰুগড়ৰ কংকন বৰা, মাজুলীৰ লক্ষ্য কলিতা, নগাঁৱৰ মঞ্জয় নন্দী আৰু গোলাঘাটৰ নিকিতা নেওগে কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ যোৱাৰ সুযোগ লাভ কৰে।

০০০০০

কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয় ২৭ ছেপ্তেম্বৰলৈ বন্ধ ঘোষণা কৰি জাৰি কৰা নিৰ্দেশ প্ৰত্যাহাৰ কৰা হৈছে। বতৰ পূৰ্বৰ তুলনাত কিছু উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্দেশ প্ৰত্যাহাৰ কৰা হয়। অৱশ্যে বিদ্যালয় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ খোলা ৰখাৰ নিৰ্দেশ অব্যাহত থাকিব। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ জাৰি কৰা হৈছিল।

০০০০০

শিল্পী সাহায্য নিধি অসমে অহা ২৬ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি **শিল্পপ্ৰাণ মাখন দেৱান স্মাৰক বঁটা ২০২৪** প্ৰদান কৰিব। উল্লেখযোগ্য যে বিগত ৩০ বছৰে শিল্পী সাহায্য নিধিয়ে অসমৰ দুৰ্গত শিল্পী, কলা-কুশলীসকললৈ আৰ্থিক সাহায্য আগবঢ়াই আছে। এই বেলি মঞ্চ, চলচ্চিত্ৰ আৰু অনাতাঁৰৰ প্ৰসিদ্ধ অভিনেতা নীলু চক্ৰৱৰ্তীলৈ এই বঁটা আগবঢ়োৱা হৈছে।

০০০০০

২০২৫ চনৰ হজৰ বাবে আবেদন পত্ৰ দাখিল কৰাৰ প্ৰক্ৰিয়া অহা ৩০ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰা হৈছে। সেই অনুসৰি ৩০ ছেপ্তেম্বৰ বা তাৰ পূৰ্বে জাৰি হোৱা আৰু ২০২৬ চনৰ ১৫ জানুৱাৰীলৈ বৈধতা থকা পাৰপত্ৰ ধাৰকসকলে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত ভাৰতীয় হজ কমিটীৰ ৱেবছাইট WWW.HAJCOMMITEE.GOV.IN আৰু মোবাইল এপ হজ সুবিধাৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব।

০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফুৰ আৰ্বত ভৱন প্ৰেক্ষাগৃহত আৰোহন আঁচনিৰ অধীনত বিভিন্ন শিক্ষানুষ্ঠানৰ নৱম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে ভাব বিনিময় অনুষ্ঠিত হয়। জিলা আয়ুক্তই উদ্বোধন কৰা এই সভাত নৱম, দশম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন কেৰিয়াৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। সভাত বিভিন্ন সফল ব্যক্তিয়ে শিক্ষাৰ্থীসকলক বিভিন্ন পেচাৰ বাবে অধ্যয়ন কৰিবলগীয়া বিষয় সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়।

০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ত সন্তোষ প্ৰকাশ কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষৰ লগতে

প্ৰতিগৰাকী ব্যক্তি তথা শিক্ষাৰ্থীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। ভৱিষ্যতে মহাবিদ্যালয়খনৰ সুনামৰ পৰিধি বিস্তৃত হোৱাৰ বাবে অধিক মনোনিৱেশ কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অন্যান্য কৰ্মচাৰীলৈ আহ্বান জনায়।

ooooo

কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সংৰক্ষণ বিৰোধী মন্তব্যৰ বিৰুদ্ধে আজি ৰাজ্যিক বিজেপিৰ অনুসূচীত জাতি মৰ্চাই ৰাজ ভৱনৰ সমীপত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত সাংসদ বিজুলী কলিতা মেধিৰ লগতে দলৰ বহু নেতা-কৰ্মী উপস্থিত থাকে।oooo

ooooo

যোৰহাট জিলা প্ৰশাসন আৰু যোৰহাট জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় ধঁপাত মুক্ত অভিযানৰ গণস্বাক্ষৰ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তই উদ্বোধন কৰা এই কাৰ্যসূচীত বহুকেইগৰাকী প্ৰশাসনিক বিষয়াই স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে, আজিৰ পৰা অহা ২৩ নৱেম্বৰলৈকে চলিবলগীয়া এই অভিযান বিভিন্ন বিভাগৰ চৌহদ, বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত ৰূপায়ণ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ তথা গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিভাগৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মা দুদিনীয়া চৰকাৰী কাৰ্যসূচীৰে আজি চৰাইদেউত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ বানফেৰা আদৰ্শ অংগনবাড়ী কেন্দ্ৰত উপস্থিত হৈ ৰাষ্ট্ৰীয় পোষণ মাহৰ অন্তৰ্গত পুষ্টিকৰ শাক-পাচলি, খাদ্যসম্ভাৰ আৰু শিক্ষণ সঁজুলিৰ এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰে। তদুপৰি কেন্দ্ৰটোৰ অধীনৰ গৰ্ভৱতী আৰু প্ৰসূতি মাতৃসকলৰ সৈতে তেওঁ মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ স্বাস্থ্যৰ বিষয়ে বুজ লয়।

ooooo

গোৱালপাৰা জিলাৰ লক্ষীপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বান্দৰমাথা সংৰক্ষিত বনাঞ্চলত আজি জিলা প্ৰশাসনৰ সহযোগত বন বিভাগে উচ্ছেদ অভিযান চলায়। অঞ্চলটোৰ ১১৮ হেক্টৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত ৫৫ হেক্টৰ ভূমিত ৪৫০টা পৰিয়াল অবৈধভাৱে বসবাস কৰি আছিল। কিছুদিন পূৰ্বে বন বিভাগে অবৈধভাৱে বসবাস কৰা এই পৰিয়ালসমূহক উচ্ছেদ কৰাৰ জাননী জাৰি কৰিছিল। জাননী পোৱাৰ পাছতে প্ৰায়বোৰ পৰিয়ালে অঞ্চলটো ত্যাগ কৰে যদিও বাকী থকা পৰিয়ালসমূহৰ গৃহত আজি উচ্ছেদ চলোৱা হয়। উল্লেখযোগ্য যে হাতী আৰু মানুহৰ মাজত সংঘাত দূৰ কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ooooo

সমাপ্ত